দিনাংক - ২২ ফেব্ৰুৱাৰী, ২০১৪

**ভাৰতীয় সংবিধানৰ নিৰ্মাণ**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

২০ ফেব্ৰুৱাৰী, ২০১৪ তাৰিখে ৰাজ্য সভায়ে নিজৰ অৱসৰ লোৱা সদস্যসকলৰ বাবে বিদায় সমাৰোহ অনুষ্ঠিত কৰে । নিয়মীয়া কাৰ্য্যক্ৰমণিকাৰ লগতে ভাৰতীয় সংবিধান নিৰ্মাণৰ ওপৰত এখন 'সংবিধান' শীৰ্ষক ধাৰাবাহিকৰ কিছু দৃশ্য দেখুওৱা হ'ল । এই ধাৰাবাহিক ৰাজ্যসভা টি ভি য়ে প্ৰযোজনা কৰিছে আৰু ৰাজ্য সভা চেক্ৰেটেৰিয়েটে সহযোগ কৰিছে ।

এই ধাৰাবাহিকৰ পৰিচালনা ভাৰতৰ বিখ্যাত চলচিত্ৰ নিৰ্মাতা শ্যাম বেনেগলে কৰিছে । শ্যাম বেনেগল যোৱা ৬ বছৰ ধৰি ৰাজ্য সভাৰ মনোনীত সদস্য আছিল । এই ধাৰাবাহিকৰ বহুতো অভিনেতা, ছবি আৰু মঞ্চ জগতৰ নাম-জ্বলা শিল্পী । এই ধাৰাবাহিকৰ ১০ টা খণ্ড হ'ব যাৰ সম্প্ৰচাৰণ প্ৰথমে ৰাজ্যসভা টি ভি ত কৰা হ'ব । প্ৰত্যেক খণ্ড ১ ঘণ্টাৰ হ'ব । মোম্বাইৰ এটি ষ্টুডিঅ'ত চেন্ট্ৰেল হ'ল অফ পাৰ্লিয়ামেন্টৰ প্ৰতিচ্ছবি সৃষ্টি কৰি ধাৰাবাহিকত দেখুওৱা হৈছে । কনচটিটুৱেণ্ট এচেম্বলিৰ সভাপতি ডঃ ৰাজেন্দ্ৰ প্ৰসাদ, ড্ৰাফটিং কমিটিৰ সভপতি ডঃ বি আৰ আম্বেদকাৰ, জৱাহৰলাল নেহৰু, চৰ্দাৰ পেটেল, মহম্মদ আলি জিন্না, গোবিন্দ বল্লভ পন্থ, ৰাজকুমাৰী অমৃত কৌৰ, মৌলানা আব্দুল কালাম আজাদ,এন গোপালাস্বামী আয়ংগাৰ আদিক অভিনেতাসকলে সাদৃশ্য কৰিছে । আলোচনা, তৰ্ক আৰু মন্তব্য, কনচটিটুৱেণ্ট এচেম্বলিত হোৱা আলোচনাৰ ভিত্তিত ৰখা হৈছে ।

যদিও এই ধাৰাবাহিকৰ সম্প্ৰচাৰৰ বাবে মই ৰৈ আছিলো, কিন্তু এই ধাৰাবাহিকৰ অলপ দৃশ্য দেখিয়েই মই ক'ব পাৰো যে, ভাৰতৰ সং বিধান ড্ৰাফ্ট কৰাৰ কাহিনী অতি সুন্দৰভাৱে প্ৰস্তুত কৰা হৈছে । কিতাপৰ তুলনাত ছবিৰ জড়িয়তে এনে ইতিতাসক সহজতে বুজিব পৰা যায় । যিহেতু এই ধাৰাবাহিকৰ সম্পূৰ্ণ খৰছ ৰাজ্যসভ টি ভি য়ে বহন কৰিছে আৰু ইয়াত কোনো ধৰণৰ লাভৰ কথা নাই, সেইবাবে বৃহৎ ৰাজহুৱা স্বাৰ্থত ৰাজ্যসভা টি ভি ত প্ৰথমে সম্প্ৰচাৰ হোৱাৰ পাছত অন্যান্য মাধ্যম যেনে - দূৰদৰ্শন আৰু বিভিন্ন ব্যক্তিগত চেনেলত প্ৰচাৰ কৰা হয় । এই ধাৰাবহিক সকলোৱে চাব লগীয়া, বিশেষকৈ নিৰ্বাচিত ৰাজনৈতিক প্ৰতিনিধি, ৰাজনৈতিক কাৰ্য্যকৰ্ত্তা, সাংবাদিক আৰু ছাত্ৰ । ইউ টিউবতো ইয়াক উপলব্ধ কৰোৱাব লাগে যাতে সমগ্ৰ বিশ্বৰ লোকে চাব পাৰে ।

ব্যক্তিগত নিউজ চেনেলত প্ৰচাৰ হোৱা 'প্ৰধানমন্ত্ৰী'ৰ খণ্ড আৰু ইয়াৰ জড়িয়তে ডিজিটেল মাধ্যমেৰে ইতিহাস প্ৰস্তুত কৰাটো বহুতো লোকৰ বাবে ভাল শিক্ষা হ'ব । 'প্ৰধানমন্ত্ৰী' আৰু 'সংবিধান' ৰ উন্নত মানদণ্ডৰ খণ্ডই দৰ্শকক আকৰ্ষন কৰিব পাৰিব, তেনেক্ষেত্ৰত আশা কৰিব পাৰি যে ভাৰততো হিষ্ট্ৰি চেনেলৰ আৰম্ভনি হৈছে ।